# ভাৰত-ইৰানৰ মাজত আৰ্ন্তচৰকাৰী বুজাপৰা চুক্তি

০৬ মে ২০১৫

ইৰানৰ ছাবাহাৰ বন্দৰৰ উন্নয়ণৰ অংশগ্ৰহণৰ কাৰনে ভাৰত গণন্ত্ৰতৰ জাহাজ পৰিবহণ আৰু পৰিবহণ আৰু ৰাষ্ট্ৰীয়পথ মন্ত্ৰী সন্মানীয় শ্ৰী নীতিন গড়কাড়ি আৰু ইৰান ইছলামিক প্ৰজাতন্ত্ৰৰ পৰিবহণ আৰু নগৰ উন্নয়ণ মন্ত্ৰী সন্মানীয় ড:আব্বাচ আহমেদ আখৌণ্ডিয়ে আজি আৰ্ন্তচৰকাৰী পৰ্যায়ৰ বুজাপৰাৰ চুক্তি স্বাক্ষৰ কৰিব ।

এই বুজাপৰাৰ চুক্তি স্বাক্ষৰৰ পাচত ভাৰতীয় আৰু ইৰানিয়ান বাণিজ্যিক সংস্থাসমুহে এক বাণিজ্যিক চুক্তি চূড়ান্ত কৰাৰ লক্ষ্যৰে বাণিজ্যিক মুল্য নিৰ্দ্ধাৰণৰ অৱস্থাত উপনীত হব পাৰিব ।বন্দৰত অৱস্থিত দুটা বাৰ্থ ভাৰতীয় ফাৰ্মক লিজত দিব যাতে সেই দুটা কনটেনাৰ আৰু বহুমুখী ব্যবহাৰ যোগ্য কাৰ্গো টাৰ্মিনেল হিচাপে বাস্তৱত ৰূপায়িত কৰিব পাৰি ।

ছাবাহাৰ বন্দৰত কাৰ্য্যকৰী কনটেনাৰ আৰু বহুমুখী ব্যবহাৰৰ উপযোগী কাৰ্গো টাৰ্মিনেল আৰম্ভ হলে আফগানিস্থানৰ মালাৰূপৰ পথ নেটৱৰ্ক সমুদ্ৰ বন্দৰৰ প্ৰবেশৰ বিকল্প পথ হিচাপে ব্যৱহাৰ হব ।ইয়াত আফগানিস্থাৰ পক্ষত আঞ্চলিক আৰু আৰ্ন্তজাতিক বজাৰৰ প্ৰবেশৰ সুযোগ বৃদ্ধি পাৱোৰ লগতে সেই দেশে পুৰ্ণগঠন আৰু মানবিক উন্নয়ণৰ বাবে যি কামকাজ চলি আছে তাক আৰু ক্ষীপ্ৰতৰ কৰি তুলিব ।

নতুন দিল্লী

০৬ মে ২০১৫